# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন দিল্লীৰ ভাৰত মন্দপমত আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘ, আই টি ইউৰ বিশ্ব দূৰসংযোগ মানক সন্মিলন ২০২৪ মুকলি।

২। বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে মাহজোৰা কাৰ্যসূচী পালন।

৩। ৰাজ্য চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ৰেচন কাৰ্ডৰ প্ৰ-পত্ৰ জমা দিয়াৰ শেষ সময়সীমা ২১ অক্টোবৰলৈ বৃদ্ধি। *আৰু*

৪। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকতৰ পদ্ধতি সলনি।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা নতুন দিল্লীৰ ভাৰত মন্দপমত আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘ, আই টি ইউৰ বিশ্ব দূৰসংযোগ মানক সন্মিলন ২০২৪ মুকলি কৰিব। শ্ৰীমোদীয়ে লগতে ভাৰত মোবাইল কংগ্ৰেছৰ অষ্টম সংস্কৰণো উন্মোচন কৰিব। বিশ্ব দূৰসংযোগ মানক সন্মিলন হ'ল ৰাষ্ট্ৰসংঘৰ ডিজিটেল প্ৰযুক্তি সংস্থা আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘৰ কামৰ মান অধিক উন্নত কৰাৰ বাবে প্ৰতি ৪ বছৰৰ মূৰত আয়োজিত প্ৰশাসনীয় সন্মিলন। এইবেলি প্ৰথমবাৰৰ বাবে এই সন্মিলন ভাৰত তথা এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলত আয়োজন কৰা হৈছে। সন্মিলনত ১৯০ খনতকৈও অধিক দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনত হ'বলগীয়া চতুৰ্থ বৰ্গৰ পদসমূহৰ পৰীক্ষাৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলে আজিৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in-ৰ পৰা তেওঁলোকৰ প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে, অহা ২৭ অক্টোবৰত চতুৰ্থবৰ্গৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। সেইদিনা পুৱা ৯ বজাৰ পৰা চাৰে ১১ বজালৈ আই টি আই উত্তীৰ্ণসকলকে ধৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰ্যায়ৰ পদসমূহৰ বাবে আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি ৪ বজালৈ অষ্টম শ্ৰেণী পৰ্যায়ৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। নিৰ্দেশনাত উল্লেখ থকা অনুসৰি লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে আধাৰ কাৰ্ড, পান কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ কাৰ্ডকে ধৰি যিকোনো এখন ফটোযুক্ত পৰিচয়-পত্ৰ, প্ৰৱেশপত্ৰৰ সৈতে দেখুৱাব লাগিব। চতুৰ্থ বৰ্গৰ মুঠ পদৰ সংখ্যা হৈছে ৫ হাজাৰ আৰু অহা ২৭ অক্টোবৰত মুঠ ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'ব।

০০০০০০

রাজ্য চৰকাৰে বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ সৈতে সংগতি ৰাখি মানসিক ৰোগৰ চিকিৎসা, যতন আদি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে মাহযোৰা কাৰ্যসূচী পালন কৰিছে। রাজ্য চৰকাৰে মানসিক ৰোগ সম্বন্ধীয় যিকোনো সমস্যাৰ ক্ষেত্ৰত পৰামৰ্শৰ বাবে ১৪৪১৬ হেল্পলাইন নম্বৰ মুকলি কৰিছে। দুখ আৰু হতাশাবোধ, অত্যধিক ভয় বা চিন্তা, আত্মহত্যাৰ প্ৰৱণতা, সুৰা বা ড্ৰাগছৰ প্ৰতি আসক্তি বৃদ্ধি, অত্যধিক ভাগৰ লগা বা টোপনিৰ সমস্যা আদি লক্ষণ পৰিলক্ষিত হ'লে চৰকাৰে নিকটৱৰ্তী জিলা মানসিক স্বাস্থ্য কোষৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, প্ৰতিবছৰে ১০ অক্টোবৰত বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন কৰা হয়। এই বছৰৰ এই দিৱসৰ মূলমন্ত্ৰ আছিল- **কৰ্মস্থলীত মানসিক স্বাস্থ্য**। ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মানসিক ৰোগ বিভাগৰ চিকিৎসক ডা০ ধ্ৰুৱজ্যোতি ভূঞাই মানসিক স্বাস্থ্যৰ যতন সন্দৰ্ভত কিছু কথা প্ৰকাশ কৰিছে-

**-বাইট-**

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱৰ সৈতে সংগতি ৰাখি কালি শ্ৰীলংকাৰ কলম্বোত মহাপুৰুষজনাৰ এটা বৰগীত সিংহলী ভাষালৈ অনুবাদ কৰি বাণীবদ্ধ ৰূপত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। কলম্বোত থকা ভাৰতীয় উচ্চ আয়োগৰ সাংস্কৃতিক শাখা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰই এই পদক্ষেপ গ্ৰহণ কৰে। কেন্দ্ৰটোৰ অধ্যাপক অংকুৰণ দত্তই এই অনুষ্ঠানৰ তদাৰক কৰে। **নাৰায়ণ কাহে ভকতি কৰু তেৰা** শীৰ্ষক এই বৰগীতটো গুৰুজনাৰ জন্মোৎসৱৰ অনুষ্ঠানত প্ৰথমবাৰৰ বাবে সিংহলী ভাষালৈ অনুবাদ কৰি পৰিবেশন কৰা হয়। শ্ৰীলংকাত থকা ভাৰতৰ উচ্চায়ুক্ত ড০ সত্যঞ্জল পাণ্ডে বৰগীতটোৰ শ্ৰব্য চিডি মুকলি কৰে। আনহাতে অধ্যাপক দত্তই এই অনুষ্ঠানত বৰগীতটো মূল ৰূপতে খোল বজাই পৰিবেশন কৰে। সিংহলী সংস্কৰণটো কলম্বোৰ ভিজুৱেল এণ্ড পাৰ্ফৰ্মিং আৰ্টচ বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক অছিত আথাপথুৱে পৰিবেশন কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে ৰেচন কাৰ্ডৰ প্ৰ-পত্ৰসমূহ জমা দিয়াৰ শেষ সময়সীমা ২১ অক্টোবৰলৈ বৃদ্ধি কৰিছে। বহু লোকে দুৰ্গা পূজাৰ বন্ধৰ পৰিপ্ৰেক্ষিতত নিৰ্ধাৰিত প্ৰ-পত্ৰসমূহ জমা দিব নোৱৰাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অনুমোদন সাপেক্ষে কালি এই সিদ্ধান্ত লোৱা হয় বুলি বিভাগীয় মন্ত্ৰী ৰণজিৎ দাসে ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে আয়ৰ নথি-পত্ৰৰ ক্ষেত্ৰত বিভাগীয় লোকসকলক সোনকালে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আহ্বান জনায়। ৰাজ্যৰ ১০ লাখ দুখীয়া লোকক নতুনকৈ ৰেচন কাৰ্ড দিয়াৰ লগতে প্ৰতিগৰাকী হিতাধিকাৰীয়ে আয়ুষ্মান আৰু অৰুণোদয় কাৰ্ড লাভ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে।

**-বাইট-**

০০০০০০

দেশৰ নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ সময়সূচী আজি ঘোষণা কৰিব। বিয়লি চাৰে তিনি বজাত নিৰ্বাচন আয়োগৰ বিষয়াসকলে এখন সংবাদ মেল অনুষ্ঠিত কৰি মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিব।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকতৰ পদ্ধতি সলনিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি ২০২৫ চনত অনুষ্ঠিত হ'বলগীয়া উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষাত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ ১২টাকৈ বিষয়ৰ প্ৰশ্ন কাকতৰ পদ্ধতি নতুন হ'ব। বিদ্যালয় শিক্ষা বোৰ্ডে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনা অনুসৰি ১২ টাকৈ বিষয়ৰ থিঅ'ৰীৰ মুঠ নম্বৰৰ ৫০ শতাংশ প্ৰশ্ন হ'ব বহু বিকল্পধৰ্মী অৰ্থাৎ এম চি কিউভিত্তিক। এই বহু বিকল্পধৰ্মী প্ৰতিটো প্ৰশ্নৰ বিপৰীতে থাকিব এক নম্বৰকৈ। আনহাতে বাকী ৫০ শতাংশ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল হ'ব। বিদ্যালয় শিক্ষা বোৰ্ডৰ নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি বিজ্ঞান শাখাৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান বিষয়ৰ থিঅ'ৰীৰ ৭০ নম্বৰৰ ভিতৰত ৩৫ নম্বৰ বহু বিকল্পধৰ্মী আৰু বাকী ৩৫ নম্বৰ অতি চুটি, চুটি আৰু দীঘল প্ৰশ্ন থাকিব। গণিত বিষয়ৰ থিঅ'ৰীৰ ১০০ নম্বৰৰ ভিতৰত ৫০ নম্বৰৰ প্ৰশ্ন বহু বিকল্পধৰ্মী  আৰু বাকী ৫০ নম্বৰৰ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল থাকিব। কলা শাখাৰ ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ থিঅ'ৰৰী ৮০ নম্বৰৰ ভিতৰত ৪০ নম্বৰৰ প্ৰশ্ন বহু বিকল্পধৰ্মী আৰু বাকী ৪০ নম্বৰৰ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল থাকিব। একেদৰে শিক্ষা, তৰ্ক আৰু দৰ্শন শাস্ত্ৰ, বুৰঞ্জী বিষয়ৰ থিঅ'ৰীৰ ১০০ নম্বৰৰ ভিতৰত ৫০ নম্বৰৰ প্ৰশ্ন বহু বিকল্পধৰ্মী আৰু বাকী ৫০ নম্বৰৰ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল থাকিব। বাণিজ্য শাখাৰ ব্যৱসায়িক অধ্যয়ন, একাউণ্টেন্সী, ফাইনেন্স বিষয়ৰ থিঅ'ৰীৰ ৮০ নম্বৰৰ ভিতৰত ৪০ নম্বৰৰ প্ৰশ্ন বহু বিকল্পধৰ্মী আৰু বাকী ৪০ নম্বৰৰ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল থাকিব। বহু বিকল্পধৰ্মী প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে অ' এম আৰ শ্বিট প্ৰদান কৰা হ'ব বুলি বিদ্যালয় শিক্ষা বোৰ্ডে নিৰ্দেশনাটোত উল্লেখ কৰিছে।

০০০০০০

কোকৰাঝাৰ জিলাৰ ৰূপসী বিমানবন্দৰৰ পৰা অহা ১৭ অক্টোবৰৰ পৰা বিমানৰ চলাচল পুনৰ আৰম্ভ হ'ব। এই সন্দৰ্ভত ক্ষেত্ৰভিত্তিক অধ্যয়ন তথা পৰ্যবেক্ষণৰ অন্তত কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে এই কথা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ উড়ান আঁচনিৰ অধীনত ২০১৯ চনত ৰূপসী বিমানবন্দৰৰ পুনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছিল যদিও যোৱাবছৰ এই বিমানবন্দৰৰ পৰা যাতায়াত প্ৰায় বন্ধ হৈ পৰে। বহু প্ৰতিক্ষাৰ অন্তত পুনৰ আৰম্ভ হোৱা এই বিমান সেৱা বৰ্তমান ৰূপসী-কলকাতা আৰু ৰূপসী-গুৱাহাটীৰ মাজতে সীমাবদ্ধ থাকিব বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

মৰিগাঁও জিলা প্ৰশাসনে কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰিগাঁও জিলা দিৱস উদযাপন কৰিছে। এইবাৰ এই দিৱসত কৃষি আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰ, উদ্যান শস্য, কলা-সংস্কৃতি আৰু আৰ্থসামাজিক প্ৰতিটো দিশ সামৰিলৈ বিকাশৰ নতুন ধাৰাৰে জিলাখনক আগবঢ়াই লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। গৱেষণামূলক কৰ্মপন্থা আৰু নাগৰিকসকলৰ ঐক্যবদ্ধ প্ৰয়াসেৰে জিলাখনৰ উন্নয়নৰ সম্ভাৱনাসমূহ চিনাক্ত কৰাৰ বাবে এই দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি পুৱা অৰ্থনৈতিক **পৰিৱৰ্তনৰ বাবে মৰিগাঁও জিলাৰ বিভিন্ন সম্ভাৱনা** বিষয়ত যুৱ সমাৰোহৰ আয়োজন কৰা হৈছে। তদুপৰি কুইজ প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত বিগত বছৰৰ দৰে এইবছৰো বিশিষ্ট সাহিত্যিক আৰু প্ৰকাশকসকললৈ **প্ৰকাশন পৰিষদ সাহিত্য বঁটা ২০২৪** প্ৰদানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০২১ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৩ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ

মাজৰ পৰা নিৰ্বাচিত গ্ৰন্থৰ লেখক আৰু প্ৰকাশক দুয়োগৰাকীকে পুৰস্কৃত কৰা হ'ব। এই বঁটাত গ্ৰন্থৰ লেখকক ৫ লাখ টকাৰ সৈতে মানপত্ৰ আৰু প্ৰকাশকক ৩ লাখ টকাৰ লগতে মানপত্ৰ প্ৰদান কৰা হ'ব। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ লেখক অথবা প্ৰকাশকৰ যিকোনো এগৰাকীয়ে প্ৰ-পত্ৰ পূৰণ কৰি প্ৰেৰণ কৰিব পাৰিব। প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ চাৰিটা কপি অহা ১৫ নৱেম্বৰৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। প্ৰ-পত্ৰসমূহ assampublicationboard@gmail.com-ৰ জৰিয়তে প্ৰেৰণ কৰাৰ উপৰি ডাকযোগেও প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

সমগ্ৰ শিক্ষা, অসমে এইবাৰ অনুষ্ঠিত কৰিবলৈ লোৱা পিৰিয়ডিক এছেছমেণ্ট টেষ্ট, চমুকৈ **পেট**ক লৈ এইবাৰ বিপাঙত পৰিছে শিক্ষকসকল। আজিৰে পৰা প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে বিভিন্ন বিষয়ত পেট অনুষ্ঠিত কৰিছে। প্ৰশ্নকাকতৰ ছপা খৰচ দিয়া হোৱা নাই বিদ্যালয় প্ৰধানক। বিপৰীতে প্ৰধান শিক্ষকে হোৱাটছ্-এপত পাব প্ৰশ্ন কাকত, প্ৰিণ্ট কৰি দিব লাগিব শিক্ষাৰ্থীক। এই বাতৰিটো **দৈনিক অসম** কাকতে এইবাৰ বিদ্যালয়ত পেটৰ মাধমাৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমকে ধৰি দেশৰ কৃষক ৰাইজৰ বন্ধু হিচাপে পৰিগণিত হৈ অহা দক্ষিণ-পশ্চিম মৌচুমী বায়ুৱে সোমবাৰে ১৩৪ দিনৰ মূৰত অসমসহ উত্তৰ-পূবৰ পৰা প্ৰস্থান কৰে। এই বাতৰিটো **আমাৰ অসম** কাকতে ১৩৪ দিনৰ মূৰত প্ৰস্থান মৌচুমীৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম চৰকাৰে বিভিন্ন বিভাগৰ বাবে কেন্দ্ৰীয় কৰৰ ৰাজ্যিক অংশ হিচাপে চলিত অক্টোবৰ মাহত ঘূৰাই পাইছে পাঁচ হাজাৰ ৫৭৩ কোটি টকা। এই ধনৰাশিয়ে ৰাজ্যৰ ৰাজভঁড়াল চহকী কৰাৰ লগতে চলি থকা কামকাজৰ বাবে সকাহ প্ৰদান কৰিব পাৰিব। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

খালিস্তানী সন্ত্ৰাসবাদী হৰদীপ সিং নিজ্জাৰৰ হত্যাত একাংশ ভাৰতীয় কূটনীতিবিদক সাঙোৰাক লৈ কানাডাৰে দ্বিপাক্ষিক সম্পৰ্কৰ শোচনীয় অৱনতি ঘটিছে ভাৰতৰ। পৰিস্থিতি এনে হৈছে যে কানাডালৈ প্ৰেৰিত ভাৰতীয় উচ্চায়ুক্তক প্ৰত্যাহাৰৰ যো-জা চলাইছে নতুন দিল্লীয়ে। এই বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বাজেটত চৰকাৰৰ ঘোষিত সংস্থাপনভিত্তিক কৰ্মসূচীৰ অংশ প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ স্কিম মুকলি কৰাৰ লগে লগে এদিনতে এক লাখ ৫৫ হাজাৰজনে আবেদন কৰিছে। কেন্দ্ৰীয় ক'ৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰালয়ে এই তথ্য প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** আৰু **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

২০২৪ বৰ্ষৰ অৰ্থনীতিৰ ন'বেল আগবঢ়োৱা হৈছে মাৰ্কিন বিশ্ববিদ্যালয়ৰ তিনিগৰাকী অৰ্থনীতিবিদ ডেৰেন এচিমগলু, ছাইমন জনছন, জেমছ ৰবিনছনলৈ। এই বাতৰিটো দি আছাম ট্ৰিবিউন আৰু দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত